Total No. of Printed Pages—8

**HS/XII/A. Sc. Com/A/15**

**2 0 1 5**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A Objective Questions serially.

(iii) Attempt all parts of a question together at one place.

(iv) General candidates are not allowed to attempt the questions meant for the Elementary School Teacher Candidates.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ **এটা** বা **দুটা** শব্দৰে) : ১×১০=১০

(ক) বাণীকান্ত কাকতিৰ সাহিত্যিক ছদ্মনামটো কি আছিল ?

(খ) ভাৰতবৰ্ষত ভাগৱত ধৰ্মৰ আদি গুৰু কোন ?

(গ) ‘ৰজকিনী’ শব্দৰ অৰ্থ কি?

(ঘ) ‘ভদ্ৰতৰ শিলা’ক শকটে আনাগই—‘ভদ্ৰতৰ শিলা’ মানে কি?

(ঙ) অমূল্য বৰুৱাৰ একমাত্ৰ কবিতা-পুথিখনৰ নাম কি?

(চ) নলিনীবালা দেৱীক কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা প্ৰদান কৰা হৈছিল?

(ছ) ‘চিৰাজ’ কোন শ্ৰেণীৰ নাটক?

(জ) ‘চিৰাজ’ নাটকৰ নায়ক কন্দৰ্পৰ পত্নীৰ নাম কি?

(ঝ) ডান্টে আৰু বিয়েট্ৰিছৰ দেখাদেখি কেইবাৰ হৈছিল?

(ঞ) ‘বৰ্ণবোধ’ গল্পটোৰ লেখক কোন?

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল শুদ্ধ বা অশুদ্ধ বুলি উত্তৰ-বহীত লিখা) : ১×৫=৫

(ক) বিশ্বজনীনতা সাহিত্যৰ এটা ডাঙৰ লক্ষণ।

(খ) ‘বৰ্ণবোধ’ শব্দটোৰ অৰ্থ হৈছে আখৰৰ ধাৰণা।

(গ) ‘বুভুক্ষা’ মানে ক্ষুধা বা ভোজনৰ ইচ্ছা।

(ঘ) ‘চিৰাজ’ নাটকখনত সাম্প্ৰদায়িক সম্প্ৰীতিৰ সুন্দৰ প্ৰতিফলন ঘটিছে।

(ঙ) মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্যিক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন হ’ল ‘নাম-ঘোষা’।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) কবিৰ মনত প্ৰেম আৰু —— অভিন্ন পদাৰ্থ।

(খ) কল্পনা নোহোৱা ঠাই স্বাৰ্থপূৰ্ণ আৰু কল্পনাশূন্যতাই ——।

(গ) সিহঁতৰ প্ৰত্যেকৰে কপালত যেন সনা আছে কুৰি শতিকাৰ সভ্যতাৰ —— হাতৰ চেকা।

(ঘ) জীয়াই থকাৰ ধেমালিটো মই —— খেলি গলোঁ।

(ঙ) এইখন ঘৰ জয়ন্তীৰ বেলেগ —— লাগিছে।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) ডান্টেৰ প্ৰেমিকাৰ নাম কি? তেওঁ প্ৰেমিকাক কিমান বয়সত আৰু ক'ত দেখে? ১+১+১=৩

(খ) শঙ্কৰদেৱৰ সাহিত্যক কেইটা ভাগত ভগাব পাৰি? ভাগকেইটা লিখা। ১+২=৩

(গ) চিত্ৰলেখা কোন আছিল? তেওঁ কি বিদ্যাত পাৰ্গত আছিল? তেওঁ কি কাৰ্য সম্পন্ন কৰিছিল? ১+১+১=৩

(ঘ) "ক্ষুধাৰ তাড়নাত সিহঁতে পাহৰি যায় অহিংসা পৰম ধৰ্ম্ম।" ইয়াত **'সিহঁত'** শব্দই কাক বুজাইছে? ক্ষুধাৰ তাড়নাত সিহঁতে কি কৰ্মত প্ৰবৃত্ত হৈছে? ১+২=৩

(ঙ) নৰকান্ত বৰুৱাৰ 'উভতি নহাৰ কবিতা' কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? পৃথিৱীলৈ কবিৰ বাণী কি? ১+২=৩

(চ) ''কি কৰিবা আৰু! মহাৰাজক লওঁতে লওঁতে গাৰ বিষ উঠি গৈছে।'' কথাষাৰ কোনে কৈছে আৰু কি প্ৰসঙ্গত কৈছে? মহাৰাজ বুলি কাক কৈছে? ১+১+১=৩

(ছ) ৰবীন্দ্ৰনাথ ঠাকুৰ ক'ৰ কবি আছিল? তেওঁ কোনখন গ্ৰন্থৰ বাবে, কিমান চনত নোবেল বঁটা লাভ কৰিছিল? ১+১+১=৩

(জ) 'চিৰাজ' নাটকৰ সীতাৰ আন এটা নাম কি? সীতাৰ মাক আৰু দেউতাকৰ নাম দুটা লিখা। ১+১+১=৩

(ঝ) ''এটা ভুল কৰি তাক ঢাকিবলৈ গৈ ভুলৰ ওপৰত ভুল কৰিছোঁ।'' এই কথাষাৰ কোনে, কাক, কেতিয়া কৈছিল? ৩

(ঞ) ''চতুৰংগ সেনা লৈয়ো আসোক সত্ত্বৰ।'' চতুৰংগ সেনা কি কি? ৩

(ট) অমূল্য বৰুৱা কোন সময়ৰ কবি আছিল? তেওঁৰ কবিতাৰ ছন্দৰীতি কি? ১+২=৩

(ঠ) আঘোণা কোন? তেওঁৰ যি কোনো দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখা। ১+২=৩

(ড) 'বৰ্ণবোধ' গল্পৰ জয়ন্তী কোন? জয়ন্তীৰ ককায়েক দুজনে কি কাম কৰিছিল? ১+২=৩

(ঢ) ড০ উপেন্দ্ৰনাথ গোস্বামী ৰচিত তিনিখন গ্ৰন্থৰ নাম লিখা। ১+১+১=৩

(ণ) হৰিবংশৰ বৰ্ণনা মতে নাৰদৰ প্ৰকৃতি কেনেধৰণৰ? ৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ‘‘পুৰণি অসমীয়া সাহিত্যত নাৰদ এটি আমোদী চৰিত্ৰ।’’ এই কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰা।

(খ) ‘‘জগতৰ ক্ৰান্তিবোৰৰ মূলতে আছিল সাহিত্য।’’ কথাষাৰ বিশ্লেষণ কৰা।

(গ) অহৈতুকী প্ৰীতি কি? ডান্টেৰ ইচ্ছা আৰু বাসনাক কেনেধৰণৰ প্ৰেমৰ তাড়নাই নিয়ন্ত্ৰিত কৰিছিল?

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ‘নাটঘৰ’ কবিতাটোৰ মূল ভাৱ লিখা।

(খ) ‘কুকুৰ’ কবিতাটোত কুকুৰ প্ৰতীকটোৰে কবিয়ে প্ৰকৃততে কি ক’বলৈ বিচাৰিছে, লিখা।

(গ) ইন্দ্ৰদ্যুম্ন ৰজাই কি কাৰণে যজ্ঞ কৰিবলৈ ওলাইছিল, বহলাই আলোচনা কৰা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) সামাজিক নাটক কাক বোলে? সামাজিক নাটক হিচাপে ‘চিৰাজ’ নাটকখন আলোচনা কৰা। ১+৫=৬

(খ) সাম্প্ৰদায়িক সম্প্ৰীতিৰ ক্ষেত্ৰত ‘চিৰাজ’ নাটকৰ ভূমিকা সম্পৰ্কে এটি টোকা লিখা। ৬

(গ) ‘চিৰাজ’ নাটকত থকা চিৰাজ চৰিত্ৰটো বিশ্লেষণ কৰা। ৬

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) বৰষুণ নোহোৱা বতৰ

(খ) শৰৎকালত হোৱা অনুষ্ঠান

(গ) দুটা মাহৰ মাজৰ দিন

(ঘ) বিহুৰ আগদিনা

(ঙ) যি বিদেশত থাকে

(চ) যি উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে

(ছ) যাক বৰ্ণনা কৰিব নোৱাৰি

(জ) যি কষ্ট সহিব পাৰে

৯। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৩

(ক) উপকাৰীক অজগৰে খায়।

(খ) আপোন ভালে জগত ভাল।

(গ) টেঙা আম এবাৰহে বেচিব পাৰি।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

হাত দীঘল ; শিলৰ ৰেখা ; আকাশত চাং পতা ; ডলাৰ বগৰী ; চুকৰ ভেকুলী ; আলাসৰ লাড়ু ; কুন্দত কটা ; ধোদৰ পচলা।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

নাৱৰীয়া ; বননি ; পাতনি ; বিহুৱা ; পনীয়া ; মৰমিয়াল ; গাঁৱলীয়া ; বুদ্ধিয়ক।

১২। কাৰক কাক বোলে? ই কেইবিধ আৰু কি কি? $২\frac{১}{২}+২\frac{১}{২}=৫$

১৩। তলৰ যি কোনো **এটা** বিষয় লৈ এখন ৰচনা লিখা : ১০

(ক) তোমাৰ প্ৰিয় সাহিত্যিক

(খ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(গ) মেঘালয়ৰ চাবলগীয়া স্থানসমূহ

(ঘ) নিবনুৱা সমস্যা

**( For Elementary School Teacher Candidates only )**

Only Teacher Candidates are allowed to opt for Question Nos. **11**, **12** and **13** (meant for All Candidates) **or** Question Nos. **14**, **15** and **16** (meant for the Teacher Candidates)

১৪। তলৰ শব্দকেইটাৰ বিপৰীত শব্দ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

শিক্ষক ; শৰ ; ৰান্ধনি ; ডেকা ; দমৰা ; ধনী ; অভিনেত্ৰী ; সুমেৰু ; দিন।

১৫। তলৰ শব্দবোৰৰ অৰ্থ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

বস্তি ; বিদ্ৰূপ ; কুৎসিত ; মূৰ্খ ; পত্নী ; স্বৰ্গদেউ ; ইতিহাস ; ৰত্ন ; বিস্ময়।

১৬। তলৰ কথাখিনি ভালদৰে পঢ়ি, বুজি একেবাৰে শেষৰ প্ৰশ্নকেইটাৰ যথাযথ উত্তৰ লিখা :

গৌৰৱ তুলনাৰ পৰা ওপজে। কোনো মানুহ কোনো অংশে আন এজনতকৈ হীন হ'লে দ্বিতীয়জনে প্ৰথমজনক মনে মনে অলপ ঘৃণা কৰে। দ্বিতীয়জনৰ সেইটোৱেই গৌৰৱৰ কাৰণ। মগনীয়াৰ খুদ-চাউলৰ মোনাও গৌৰৱৰ কাৰণ। ৰাণীৰ অলংকাৰ যেনে গৌৰৱৰ কাৰণ, বান্দীৰ বাঢ়নিটাৱো তেনে গৌৰৱৰ কাৰণ। সকলো মানুহে সকলো অৱস্থাতে গৌৰৱ কৰিবৰ কাৰণ বিচাৰি পায়।

গৌৰৱ তিনি ঠাইৰ পৰা উৎপন্ন হয়; সৌভাগ্য, শৰীৰ আৰু মন। সৌভাগ্যৰ পৰা জন্ম, ধন আৰু মান আহে। নিধিৰাম বৰুৱাৰ পুতেক গৰুচোৰ হ'লেও ভুঞাপোৱালী, কলামণি দাস বিদ্যাভূষণ হ'লেও কিন্তু সামান্য মানুহ। বৰুৱাৰ ঘৰৰ ল'ৰাই আগমালা আৰু আগঠগি পোৱাৰ নিয়ম সামাজিক আইনত বন্ধা আছে। কলামণি হাজাৰ হওক সাধাৰণ মানুহৰ ল'ৰা। তেওঁ মালা আৰু ঠগি পাছে পাব। উপৰি-পুৰুষসকলে এই নিয়ম কৰি থৈ গৈছে। ইয়াক উলংঘন কৰিব নোৱাৰি। উদাহৰণ লাগিলে 'মহাভাৰত'ৰ কৰ্ণক চোৱা। কৰ্ণৰ জন্ম পাণ্ডুৰৰ নিচিনা নাছিলনে? তথাপি কৰ্ণক ঠাট্টা কৰিছিল। কিয়? ভাগ্য।

(ক) গৌৰৱ কিহৰ পৰা ওপজে? ১

(খ) 'খুদ-চাউল' শব্দটোৰ অৰ্থ লিখা। ১

(গ) সামাজিক পৰম্পৰা বা নিয়মবোৰ কোনে বান্ধি গৈছে? ১

(ঘ) কৰ্ণৰ মাকৰ নাম কি? ১

(ঙ) 'নিধিৰাম বৰুৱা' শব্দটোৱে কি অৰ্থ সূচায়? ১

(চ) 'গৌৰৱ' কি কি স্থানৰ পৰা জন্ম পায়? ২

(ছ) আচলতে মানুহে গৌৰৱ কৰা উচিতনে, তোমাৰ ধাৰণাৰে লিখা। ১

(জ) 'বিদ্যাভূষণ' আৰু 'উলংঘন' শব্দ দুটাৰে দুটা সুন্দৰ অৰ্থযুক্ত বাক্য ৰচনা কৰা। ২

★★★